**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-10-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

*Headlines*

১। শাৰদীয় দুৰ্গা পূজাৰ অষ্টমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি চিৰাঙত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

৩। কেন্দ্ৰৰ অসমলৈ চলিত বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় কৰৰ প্ৰথম কিস্তিৰ ৫ হাজাৰ ৫৭৩ কোটি টকা মুকলি।

**আৰু**

৪। মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগতাৰ ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত অষ্ট্ৰেলিয়া পাকিস্তানৰ মুখামুখি।

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি অষ্টমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে অষ্টমী পূজা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধবনিয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়।

নলবাৰী জিলাৰ কেইবাখনো পূজা মণ্ডপত উলহ-মালহৰ পৰিবেশে বিৰাজ কৰিছে। জিলাখনৰ পূজা সন্দৰ্ভত আমাক জনাইছে সংবাদদাতা ৰমেন কলিতাই-

(ভইচ)

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে গুৱাহাটী মহানগৰীতো পূজাৰ আনন্দ-উছাহ অব্যাহত আছে। মাজে মাজে অহা দুই-এজাক বৰষুণে বিধি-পথালি দিলেও ৰাইজৰ মাজত কোনো গুণে পূজাৰ আনন্দ ম্লান পৰা নাই। পুৱাৰেপৰা নিশা পৰ্যন্ত পূজাথলীসমূহত ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী পৌৰ নিগমে আয়োজন কৰা স্বচ্ছতা প্ৰতিযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীত অনুষ্ঠিত ৪৫০ খনৰো অধিক পূজা সমিতিয়ে এইবেলি স্বচ্ছতাৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা গৈছে।

কৰিমগঞ্জ জিলাৰ বদৰপুৰ ষ্টেচন ৰোডৰ ৰাজহুৱা পূজা এইবাৰ মহিলাৰ দ্বাৰা আয়োজন কৰা হৈছে। বিভিন্ন সময়ত মহিলাৰ ওপৰত হোৱা হিংসা তথা অত্যাচাৰৰ প্ৰতিবাদত আৰু মহিলাৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাবে পূজা আয়োজন কৰাৰ দায়িত্ব এইবাৰ মহিলাক দিয়া হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে। জিলাখনত চলি থকা দুৰ্গোৎসৱৰ বিষয়ে অধিক জনাইছে আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে –

(ভইচ)

ধুবুৰীৰ হৰিসভা পূজা মণ্ডপ, গৌৰীপুৰৰ ৰজাঘৰীয়া শোলাপীঠৰ দেৱী দুৰ্গাকে ধৰি বগৰিবাৰীৰ মা-মহামায়া শক্তিপীঠ আদিলৈ আজি  পুৱাৰে পৰা ভক্তসকলৰ সমাগম ঘটিছে।

**দৰং** জিলাৰ মুঠ ৫ খন আৰক্ষী থানা এলেকাত আয়োজন কৰা প্ৰায় ২০০ খন ৰাজহুৱা পূজাস্থলিত আধ্যাত্মিকতাৰ সৈতে সৃষ্টিশীল কলা আৰু আধুনিকতাৰ সমাহাৰ ঘটাই ভক্তপ্ৰাণ ৰাইজ আৰু দৰ্শনাৰ্থীক আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই পূজা মণ্ডপসমূহৰ উপৰি জিলাখনৰ ঐতিহাসিক পদ্মা থানৰ লগতে মন্দিৰ, দেৱালয়সমূহ দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ স্তুতি তথা মংগল ধ্বনিৰে মুখৰ হৈ পৰিছে। জিলা সদৰ মঙলদৈত থকা কোচ ৰজাৰ তিনিখন হাউলীত ৪০৮ বছৰীয়া ঐতিহ্য আৰু ধৰ্মীয় পৰম্পৰা অক্ষুণ্ন ৰাখি দুৰ্গা পূজা পালন কৰা হয়। ইয়াৰে গাখীৰখোৱা হাউলীত পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গা পূজা পালন কৰা হৈছে।

নগাঁৱত ভিন ভিন আৰ্হিত নিৰ্মাণ কৰা পূজামণ্ডপসমূহে ৰাইজক আকৰ্ষণ কৰিছে। এয়া শুনক নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াৰ প্ৰতিবেদন-

(ভইচ)

০০০০০০০০

ৰাজ্যজুৰি দুৰ্গা পূজাৰ ব্যাপক উচাহৰ মাজত লখিমপুৰৰ বিভিন্ন পূজা মণ্ডপৰ উপৰি প্ৰাচীন শক্তিপীঠসমূহত আজি ভক্তগণে অষ্টমী পূজা অৰ্চনা আগবঢ়াইছে। জিলাখনৰ শক্তিপীঠসমূহৰ ভিতৰত অন্যতম ঘাৰমৰা দেউৰী গাঁৱৰ নীল দেৱালয়, তিনিকুৰিয়া গাঁৱৰ বৈঠাৰতী থান, লখিমপুৰ নগৰৰ পঞ্চানন দেৱালয়, ঢকুৱাখনাৰ হাৰ্হি দেৱালয় আৰু ধলপুৰৰ পেটুৱা গোঁসানী থানত প্ৰাচীন পৰম্পৰা অনুসৰি পূজা অনুষ্ঠিত কৰা হৈছে।

00000000

ডিব্ৰুগড় জিলাৰ খোৱাং অঞ্চলৰ আটাইতকৈ পুৰণি ৯৭ বছৰ গৰকা খোৱাং ঘাটৰ সোণোৱাল ভৰন চৌহদৰ পূজা মণ্ডপত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপস্থিত থাকি দেৱী দুৰ্গাৰ আশীষ লয়। ৰাইজক দুৰ্গোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মন্ত্ৰী সোণোৱালে উপস্থিত ৰাইজৰ সৈতে মত-বিনিময় কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী বিমল বৰা, বিধায়ক চক্ৰধৰ গগৈয়েও দেৱী দুৰ্গাৰ ওচৰত প্ৰাৰ্থনা আগবঢ়ায়। আনহাতে মন্ত্ৰী সোণোৱালৰ সৈতে গৃহ নিৰ্মাণ বিভাগৰ উপাধ্যক্ষ সুভাষ দত্ত, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম পেট্ৰোকেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিপুল ডেকাকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

0000000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

00000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাত উপস্থিত হৈ কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বিয়লি জিলাখনৰ বাসুগাঁৱত থকা তিনিটাকৈ দুৰ্গা পূজা মণ্ডপত দেৱী দুৰ্গাৰ আশিস ল'ব। তেওঁ লগতে বিজনীত এটা লক্ষ্মী মন্দিৰ উদ্বোধন কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে কালিয়ে চিৰাং জিলালৈ যোৱাৰ কথা আছিল যদিও ভ্ৰমণসূচী স্থগিত ৰাখে।

0000000

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৰাজ্যসমূহলৈ মুকলি কৰা কেন্দ্ৰীয় কৰৰ অংশৰ প্ৰথম কিস্তিৰ ধনৰ অসমে ৫ হাজাৰ ৫৭৩ কোটি টকা লাভ কৰিছে। কেন্দ্ৰীয় কৰৰ অংশৰ কিস্তি অসমকো মুকলি কৰি দিয়াৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক ধন্যবাদ জনায়।

0000000

ৰাজ্যত খাদ্য সুৰক্ষা আইনৰ অধীনত ৬৭ লাখ ১৯ হাজাৰ ৭৭৬টা পৰিয়ালক সামৰি লোৱা হৈছে আৰু সৰ্বমুঠ ২ কোটি ৩২ লাখ ৩৭ হাজাৰ ৫১৪গৰাকী লোক অন্তৰ্ভুক্ত হৈছে বুলি খাদ্য আৰু অসামৰিক যোগান বিভাগৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এই আইনৰ যোগেদি আৰু ১৯ দশমিক ৯২ লাখ লোকক খাদ্য সুৰক্ষা আইনৰ যোগেদি বিনামূলীয়া চাউল বিতৰণৰ বাবে হিতাধিকাৰী সংযোজন কৰিবলৈ বিচাৰিছে যদিও সম্প্ৰতি যোগ্য হিতাধিকাৰীৰ বাছনি প্ৰক্ৰিয়া অব্যাহত আছে। এই আঁচনি লাভ কৰিবলৈ হ'লে পৰিয়ালৰ বাৰ্ষিক আয় ৪ লাখ টকাতকৈ কম হ'লেহে খাদ্য সুৰক্ষাৰ হিতাধিকাৰী হ'বৰ বাবে আবেদন কৰিব পাৰিব। এই পৰিমাণৰ ধনতকৈ কম উপাৰ্জন কৰা ৰাজ্য চৰকাৰৰ মাষ্টাৰ ৰোল কৰ্মচাৰী, দৈনিক হাজিৰা কৰা কৰ্মচাৰী, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, ঠিকাভিত্তিক কৰ্মচাৰীসকলেও আবেদন কৰিব পাৰিব। যোৱা ১৫ ছেপ্তেম্বৰৰ পৰা নতুন হিতাধিকাৰী বাছনিৰ বাবে আবেদন দাখিলৰ প্ৰক্ৰিয়া চলি আছে যদিও পৰ্যাপ্ত আবেদন দাখিল হোৱা নাই। ৬৭ লাখতকৈও অধিক পৰিয়ালৰ ২ দশমিক ৩২ কোটিতকৈও অধিক লোক অন্তৰ্ভুক্ত হোৱাৰ পাছত সীমিত সংখ্যক লোকে বাদ পৰিছে বুলি বিভাগটোৰ এটা সূত্ৰই জনাইছে। উল্লেখযোগ্য যে হিতাধিকাৰী কম হোৱা বাবেই বাৰ্ষিক আয়ৰ পৰিমাণ পূৰ্বৰ ১ লাখ টকাৰ পৰা ৪ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। নিৰ্ধাৰিত সূচী অনুসৰি অহা ১৫ অক্টোবৰ আবেদন দাখিল পৰ্বৰ অন্তিম দিন যদিও আবেদন কম হোৱাৰ পৰিপ্ৰেক্ষিতত সময়সীমা আৰু এসপ্তাহ বৃদ্ধি হোৱাৰ সম্ভাৱনা থকা বুলি বিভাগীয় সূত্ৰটোৱে সদৰি কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লাওৰ ৰাজধানী ভিয়েণ্টিয়ানত হ'বলগীয়া উনবিংশ পূব এছিয়া শীৰ্ষ সন্মিলনত ভাগ ল'ব। বিশ্বৰ আগশাৰীৰ নেতাসকলৰ এই মঞ্চই অঞ্চলটোত কৌশলগত আস্থাৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অৱদান আগবঢ়ায় আৰু অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহক আঞ্চলিক গুৰুত্বৰ বিভিন্ন বিষয় লৈ মত-বিনিময়ৰ সুযোগ প্ৰদান কৰে। পূব এছিয়া শীৰ্ষ সন্মিলনত ১০খন আছিয়ান ৰাষ্ট্ৰৰ উপৰি আঠখন অংশগ্ৰহণকাৰী দেশ ক্ৰমে অষ্ট্ৰেলিয়া, চীন, ভাৰত, জাপান, দক্ষিণ কোৰিয়া, নিউজিলেণ্ড, ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অন্তৰ্ভুক্ত। টিমোৰ লেষ্টেই এইবেলি পৰ্যবেক্ষক দেশ হিচাপে সন্মিলনত ভাগ ল'ব। অঞ্চলটোত শান্তি, সুস্থিৰতা আৰু

সমৃদ্ধি বৰ্তাই ৰখাৰ এই ব্যৱস্থা ২০০৫ চনৰে পৰা কাৰ্যকৰী হৈ আছে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি সন্মিলনৰ আপাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে লাও গণতান্ত্ৰিক গণৰাজ্যৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিব। শ্ৰীমোদীয়ে কালি ভিয়েণ্টিয়ানত অনুষ্ঠিত একবিংশ আছিয়ান ভাৰত শীৰ্ষ সন্মিলনক সম্বোধন কৰে।

০০০০০০০০

মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ডুবাইত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত আজি অষ্ট্ৰেলিয়া আৰু পাকিস্তান মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ৱেষ্ট ইণ্ডিজে যোৱা নিশা ইউ এ ইৰ শ্বাৰজাহত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত বাংলাদেশক ৮ উইকেটত পৰাস্ত কৰে। বাংলাদেশে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১০৩ ৰাণ সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ অধিনায়ক নিগাৰ চুলতানাই ৪৪টা বলত ৩৯ ৰাণ সংগ্ৰহ কৰে। ৱেষ্ট ইণ্ডিজৰ কৰিশ্মা ৰামহাৰেকে চাৰিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৩ অভাৰ ৫টা বলত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৱেষ্ট ইণ্ডিজৰ অধিনায়ক মেথিউজ আৰু ষ্টেফনি টেইলৰে অপেনিং যুটীত মাত্ৰ ৭ অভাৰ আৰু তিনিটা বলত ৫২ ৰাণ সংগ্ৰহ কৰি দলৰ জয় নিশ্চিত কৰে। ৰামহাৰেক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ৱেষ্ট ইণ্ডিজ এই জয়ৰ সুবাদত ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ সম্ভাৱনা নিশ্চিত হৈ পৰিছে।

০০০০০

শাৰদীয় আনন্দ-উল্লাসৰ মাজতে যোৰহাটৰ নিমাতীত পুনৰ ফেৰী দুৰ্ঘটনা - শতাধিক লোকৰ প্ৰাণ ৰক্ষা -এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বিশিষ্ট ভাৰতীয় উদ্যোগপতি ৰতন টাটাৰ মৃত্যুৰ বাতৰি আমাৰ অসম কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসম, অসমীয়া খবৰ, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন, দ্য ছেণ্টিনেল আদি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অগ্ৰদূত কাকতে দক্ষিণ কোৰিয়াৰ সাহিত্যিক হান কাঙলৈ আগবঢ়োৱা নবেল বঁটাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

ডিমা হাছাও জিলাত ৯ হাজাৰ বিঘা কৃষি ভূমি বহিৰাগতক গটোৱাৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদৰ বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমে কৰ হস্তান্তৰ পুঁজিৰ পৰা ৫ হাজাৰ ৫৭৩ কোটি টকা লাভ কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-আছিয়ান সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে আগবঢ়োৱা ১০টা পৰামৰ্শৰ বাতৰি দ্য আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত চাহ উৎপাদনৰ পৰিমাণ বৃদ্ধি পোৱাৰ বিপৰীতে উৎপাদিত চাহৰ মূল্য হ্ৰাসৰ এটা বাতৰি দ্য ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অন্যান্য বাতৰিৰ ভিতৰত আছে পূজাৰ পাছতে পুনৰ টেট শিক্ষকে বহিব আন্দোলনত, এ পি এছ চিৰ কেলেংকাৰি - উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ নিলম্বিত আৰক্ষী বিষয়া, পৰৱৰ্তী দুই-তিনি দিনলৈ ৰাজ্যত বৃষ্টিপাত অব্যাহত থকাৰ সম্ভাৱনা, গুৱাহাটী বিশ্ববিদ্যালয়ত অব্যাহত থকা ছাত্ৰ সংঘাতৰ প্ৰসংগত কঠোৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোক থিতাতে নিহত হয়। মৃত্যু হোৱা যুৱক দুজন দেৰগাঁও নেঘেৰিটিঙৰ নাৰায়ণ বাওৰী আৰু মহেন্দ্ৰ বাওৰী বুলি জানিব পৰা গৈছে।

০০০০০০০০

**সমাপ্ত**